বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

অল্পতুষ্টি আৰু সৰলতাৰ সন্দৰ্ভত নবী কৰীম (ছাঃ)ৰ পৱিত্ৰ জীৱনীৰ এক ঈমান উদ্দীপক আলোচনা

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

ছায়্যিদিনা আমিৰুল মোমিনীন হজৰত মির্জা মাছৰুৰ আহমদ খলীফাতুল মছীহ আল-খামিছ (আইঃ)-এ ২৩ অক্টোবৰ ২০২৬ চনত মছজিদ মোবাৰক, ইছলামাবাদ, টিলফোর্ড, ইউ কে-ত প্রদান কৰা জুমাৰ খুতবাৰ সাৰাংশ।

তাশ্বাহুদ, তাউয, তাছমিয়াহ আৰু ছূৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আঃ)-এ কৈছে যে,

মই আঁহজৰত (ছাঃ)-ৰ সৰল জীৱনৰ আলোচনা আৰম্ভ কৰিছিলোঁ। তেখেতৰ সৰলতাৰ এটা নিদর্শন এইটোও আছিল যে কেতিয়াবা তেখেতে নিজৰ প্রয়োজনীয় সামগ্রী নিজেই বজাৰৰ পৰা ক্রয় কৰিছিল। সেয়েহে, হজৰত আবু হুৰায়ৰা (ৰাঃ)-এ বর্ণনা কৰে যে, মই এদিন ৰাছুলুল্লাহ (ছাঃ)-ৰ সৈতে বজাৰত প্রৱেশ কৰিলোঁ। তেখেত এজন কাপোৰ ব্যৱসায়ীৰ ওচৰত বহিছিল। তাৰ পিছত তেখেতে চাৰি দিৰহামত এটা ঢিলা পায়জামা ক্রয় কৰিছিল।

হজৰত আয়েশা (ৰাঃ)-এ বর্ণনা কৰে যে, হজৰত আবু বকৰ (ৰাঃ) মোৰ ওচৰলৈ আহিছিল। সেই সময়ত মোৰ ওচৰত আনছাৰসকলৰ দুজনী ছোৱালীয়ে কিছুমান গীত (কবিতা) গাই আছিল। তেওঁলোক পেছাদাৰী গায়িকা নাছিল, বৰঞ্চ হজৰত আয়েশা (ৰাঃ)-এ কয় যে তেওঁলোক মোৰ বান্ধৱী আছিল। হজৰত আবু বকৰ (ৰাঃ)-এ গানৰ মাত শুনি কৈছিল,এইটো কি যে ৰাছুলুল্লাহ (ছাঃ)-ৰ ঘৰত তোমালোকে চয়তানৰ বাঁহী (গান-বাজনা) লৈ বহি আছা? সেইটো আছিল ঈদৰ দিন। হুজুৰ (ছাঃ)-এ এই কথা শুনি কৈছিলঃ “হে আবু বকৰ! প্রত্যেক জাতিৰেই ঈদ(উৎসৱ) থাকে আৰু এইটো আমাৰ ঈদ। গতিকে তেওঁলোকক গীত গাবলৈ দিয়া আৰু বাধা নিদিবা।” হুজুৰ আনোৱাৰ (আইঃ)-এ কৈছিল যে পৰিৱেশটো সৰল আৰু অনাড়ম্বৰ আছিল,তাত শ্বির্কৰ কোনো কথা হোৱা নাছিল, সেয়েহে তেখেত (ছাঃ)-এ তেওঁলোকক গীত গাবলৈ অনুমতি প্রদান কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)-এ কয়, আঁহজৰত (ছাঃ) যেতিয়া শিশুসকলৰ কাষেৰে পাৰ হৈ গৈছিল, তেতিয়া তেখেতে তেওঁলোকক ছালাম জনাইছিল। তেওঁলোকৰ মূৰত হাত বুলাই দিছিল আৰু তেওঁলোকৰ বাবে দোৱা কৰিছিল। কোনো ব্যক্তি যদি তেখেতৰ সৈতে বহিছিল, বা কোনো প্রয়োজনত তেখেতৰ সৈতে কথা পাতিছিল, তেন্তে ব্যক্তিজন নিজে উঠি গুচি নোযোৱালৈকে তেখেতে তেওঁৰ সৈতে ধৈর্যসহকাৰে বহি আছিল। এই সৰলতা আৰু ধৈর্যই সাক্ষাৎ কৰিবলৈ অহা লোকজনক সান্ত্বনা আৰু সাহস প্রদান কৰিছিল যাতে তেওঁ নিজৰ কথা আৰামেৰে ব্যক্ত কৰিব পাৰে। হুজুৰ আনোৱাৰ (আইঃ)-এ কয় যে,**আমাৰ জামাতৰ দায়িত্বশীল কর্মকর্তাসকলেও এই পদ্ধতিয়েই অনুসৰণ কৰা উচিত।”**

হজৰত ইমাম হুছেইন (ৰাঃ)-এ বর্ণনা কৰে যে, মই মোৰ পিতৃৰ পৰা আঁহজৰত (ছাঃ)-ৰ মজলিছৰ বিষয়ে সুধিছিলোঁ। তেতিয়া তেখেতে কৈছিল যে, তেখেত (ছাঃ)-এ উঠোঁতে-বহোঁতে সদায় আল্লাহৰ জিকিৰ কৰিছিল। তেখেত যেতিয়া কোনো লোকৰ কাষলৈ গৈছিল, তেতিয়া য’তেই মজলিছ শেষ হৈছিল (অর্থাৎ য’তেই মানুহ বহা

ঠাই শেষ হৈছিল), তেখেতে তাতেই আসন গ্ৰহণ কৰিছিল। তেখেত (ছাঃ)-এ প্ৰতিজন সহচৰকে তেওঁৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰিছিল, কোনেও এইটো ধাৰণা কৰিব পৰা নাছিল যে আন কোনোবা ব্যক্তি তেওঁতকৈ বেছি সন্মানীয়। তেখেতৰ উদাৰতা আৰু উত্তম চৰিত্ৰ সকলোৰে বাবে সমান আছিল, তেখেত (ছাঃ) তেওঁলোকৰ বাবে পিতৃস্বৰূপ হৈ পৰিছিল।

মদীনালৈ হিজৰতৰ সময়ত যেতিয়া কুবাৰ বাহিৰত আঁহজৰত (ছাঃ) এডাল গছৰ তলত বহি আছিল, তেতিয়া মদীনাৰ সৰহভাগ মানুহে তেখেতক দেখি চিনিব পৰা নাছিল। মানুহে হজৰত আবু বকৰ (ৰাঃ)-কহে ৰাছুলুল্লাহ (ছাঃ) বুলি ভাবিছিল আৰু অত্যন্ত ভক্তিৰে হজৰত আবু বকৰ (ৰাঃ)-ৰ ফালে মুখ কৰি বহি পৰিছিল। হজৰত আবু বকৰ (ৰাঃ)-এ এই সকলোবোৰ দেখি লগে লগে নিজৰ চাদৰখন তুলি ল'লে আৰু সূৰ্যৰ পিনে থিয় হৈ নিবেদন কৰিলে, ইয়া ৰাছুলুল্লাহ (ছাঃ)! আপোনাৰ গাত ৰ'দ পৰিছে, মই আপোনাৰ ওপৰত ছাঁ ধৰিছোঁ।

হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)-এ বৰ্ণনা কৰে যে, মই এবাৰ অসুস্থ হৈ পৰিছিলোঁ, তেতিয়া নবী (ছাঃ) আৰু হজৰত আবু বকৰ (ৰাঃ) মোৰ ঘৰত উপস্থিত হৈছিল আৰু তেখেতসকলে মোক অজ্ঞান অৱস্থাত পাইছিল। নবী (ছাঃ)-এ অজু কৰিলে আৰু অজুৰ মোৰ গাত ছটিয়াই দিলে, তেতিয়া মোৰ জ্ঞান ঘূৰি আহিল।

হুজুৰ (ছাঃ)-ৰ জীৱনত কোনো কৃত্ৰিমতা নাছিল, সৰলতা আছিল। তেখেতে নিজৰ ছাহাবাসকলকো (ৰাঃ) সৰলতা অৱলম্বন কৰিবলৈ শিক্ষা দিছিল, যাতে তেওঁলোকৰো সংশোধন হৈ থাকে।

হজৰত আব্দুল্লাহ বিন মাছউদ (ৰাঃ)-এ বৰ্ণনা কৰে যে, বদৰ যুদ্ধৰ দিনা এটা উটত তিনিজনকৈ ব্যক্তিয়ে পাল পাতি আৰোহণ কৰিছিল। আঁহজৰত (ছাঃ)-ৰ সৈতে থকা সহযাত্ৰীসকলে নিবেদন কৰিলে, "ইয়া ৰাছুলুল্লাহ (ছাঃ)! আপুনি আৰোহণ কৰক আৰু আমি খোজকাঢ়ি যাম।" ইয়াৰ উত্তৰত তেখেত (ছাঃ)-এ কৈছিল, "তোমালোক দুজন মোতকৈ অধিক শক্তিশালী নহয় আৰু ময়ো তোমালোক দুজনাৰ দৰেই পুণ্যৰ পৰা অমুখাপেক্ষী নহয়। সেয়েহে যি নিয়ম নিৰ্ধাৰণ কৰা হৈছে, সেই অনুসৰিয়েই কাম হ'ব।"

হজৰত অমৰ বিন হাৰিছ (ৰাঃ)-এ বৰ্ণনা কৰে যে, ৰাছুলুল্লাহ (ছাঃ)-এ কোনো দীনাৰ, দিৰহাম, দাস বা দাসী এৰি যোৱা নাছিল। তেখেতে আৰোহণ কৰা বগা খচ্চৰটো, নিজৰ অস্ত্ৰ-শস্ত্ৰ আৰু এডোখৰ মাটিৰ বাহিৰে আন একোৱেই এৰি থৈ যোৱা নাছিল; যিডোখৰ মাটি তেখেতে মুছাফিৰসকলৰ বাবে **ৱাকফ** কৰি দিছিল।

হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ কৈছে যে, নবী কৰীম (ছাঃ)-ৰ পৰা এইটোও প্ৰমাণিত যে তেখেত (ছাঃ)-এ উত্তমৰ পৰা উত্তম খাদ্যও গ্ৰহণ কৰিছিল আৰু এইটোও প্ৰমাণিত যে তেখেতে অনাহাৰেও আছিল। কেতিয়াবা তেখেত ইমান দীঘলীয়া সময় অনাহাৰে আছিল যে তেখেতে নিজৰ পেট বান্ধি ৰাখিবলগীয়া হৈছিল। কিন্তু প্ৰতিটো অৱস্থাতেই তেখেতৰ জীৱন কৃতজ্ঞতা আৰু সৰলতাৰ মাজেৰে অতিবাহিত হৈছিল।

হজৰত আবু ছাঈদ খুদৰী (ৰাঃ)-এ বৰ্ণনা কৰে যে, আঁহজৰত (ছাঃ)-ৰ জীৱন অত্যন্ত সৰল আছিল। তেখেতে কোনো কাম কৰিবলৈ লাজ বা সংকোচবোধ কৰা নাছিল।

আঁহজৰত (ছাঃ)-এ নিজৰ উটটোক নিজেই দানা দিছিল, ঘৰুৱা কাম-কাজ কৰিছিল, নিজৰ জোতা নিজেই মেৰামতি কৰিছিল আৰু কাপোৰত নিজেই তাপলি মাৰি লৈছিল। খাদিমক নিজৰ সৈতে বহুৱাই আহাৰ খুৱাইছিল আৰু আটা পিহোঁতে খাদিমজন ভাগৰি পৰিলে তেখেতে তেওঁক সহায় কৰি দিছিল। বজাৰৰ পৰা ঘৰৰ সা-সামগ্ৰী কঢ়িয়াই অনাত তেখেতে কেতিয়াও সংকোচ বা লাজবোধ কৰা নাছিল। ধনী-দুখীয়া সকলোৰে সৈতে মুছাফাহা (কৰমৰ্দন) কৰিছিল, ছালাম জনোৱাত আগভাগ লৈছিল আৰু যদি কোনোবাই সাধাৰণ খেজুৰৰো নিমন্ত্ৰণ দিছিল, তেন্তে তেখেতে তাকো তুচ্ছ জ্ঞান নকৰি আনন্দৰে গ্ৰহণ কৰিছিল। তেখেত অত্যন্ত দয়ালু, কোমল স্বভাৱৰ আৰু নম্ৰ প্ৰকৃতিৰ আছিল। তেখেতৰ জীৱন-ধাৰণ অত্যন্ত সৰল আছিল, সকলোৰে সৈতে প্ৰফুল্ল চিত্তেৰে

মিলিত হৈছিল আৰু তেখেতৰ পৱিত্ৰ মুখাৱয়বত সদায় মৃদু হাঁহি জিলিকি আছিল। তেখেতে কেতিয়াও অট্টহাস্য কৰি নাহাঁহিছিল। আল্লাহৰ ভয়ত চিন্তিত হৈ আছিল, কিন্তু তেখেতৰ মাজত কঠোৰতাৰ লেশমাত্ৰও নাছিল। তেখেত অত্যন্ত বিনয়ী আছিল, কিন্তু ইয়াৰ মাজত কোনো দুৰ্বলতা বা সাহসহীনতাৰ প্ৰভাৱ একেবাৰেই নাছিল। তেখেত অত্যন্ত দানশীল, কোমল অন্তৰৰ আৰু কৃপাপূৰ্ণ আছিল। প্ৰতিজন মুছলমানৰ সৈতে তেখেতে মৰম আৰু দয়াৰে ব্যৱহাৰ কৰিছিল। তেখেতে কেতিয়াও উগাৰ অহাৰ দৰে পেট ভৰাই আহাৰ গ্ৰহণ কৰা নাছিল। কেতিয়াও লোভ আৰু লালসাৰ বশৱৰ্তী হৈ (বস্তুৰ প্ৰতি) হাত নবঢ়াইছিল, বৰঞ্চ তেখেত আছিল ধৈৰ্যশীল, কৃতজ্ঞতা আদায়কাৰী আৰু কমতে সন্তুষ্ট থকা গৰাকী।

হজৰত আয়েশা (ৰাঃ)-এ বৰ্ণনা কৰে যে, ৰাছুলুল্লাহ (ছাঃ)-এ উপহাৰ গ্ৰহণ কৰিছিল আৰু নিজেও উপহাৰ প্ৰেৰণ কৰিছিল। সৰুতকৈ সৰু উপহাৰ হ'লেও তেখেতে সেয়া গ্ৰহণ কৰিছিল আৰু তাৰ বিনিময়ত উপহাৰ প্ৰদানো কৰিছিল। তেখেতে কেতিয়াও কোনো খাদ্যৰ দোষ ধৰা নাছিল। যদি তেখেতে সেয়া পছন্দ কৰিছিল তেন্তে খাইছিল, অন্যথা এৰি দিছিল।

আঁহজৰত (ছাঃ)-এ খহটা ঊণৰ কাপোৰ পৰিধান কৰিছিল আৰু মেৰামতি কৰা জোতা পিন্ধিছিল। তেখেতে সদায় টান খাদ্য গ্ৰহণ কৰিছিল (অৰ্থাৎ যৱৰ এনে ডাঠ ৰুটী, যি পানীৰ অবিহনে ডিঙিৰে তললৈ নামি নাযায়) আৰু একেবাৰে সাধাৰণ সাজ-পোছাক পৰিধান কৰিছিল।

তেখেতে নিজৰ বৰ্ম (যুদ্ধৰ সাজ) যৱৰ বিনিময়ত বন্ধকত ৰাখিছিল। তেখেতে এবাৰ ৰুটীৰ এটা টুকুৰাৰ ওপৰত এটা খেজুৰ ৰাখি কৈছিল যে, "এইটোৱেই হৈছে ইয়াৰ আঞ্জা (তৰকাৰী)।" এইদৰেই তেখেতে খেজুৰৰ সৈতে ৰুটী খাইছিল। এবাৰ তেখেতৰ খিদমতত গৰম খাদ্য পৰিৱেশন কৰা কৰা হৈছিল। তেখেতে সেয়া গ্ৰহণ কৰিলে আৰু কৈছিল যে, "সকলো প্ৰশংসা আল্লাহৰ বাবেই, ইমান দিন ধৰি গৰম খাদ্য খোৱা নাছিলোঁ।" হজৰত আয়েশা (ৰাঃ)-এ বৰ্ণনা কৰে যে, নবী কৰীম (ছাঃ)-এ সেই সময়ত শেষ নিশ্বাস ত্যাগ কৰিছিল, যিসময়ত আমি খেজুৰ আৰু পানী পেট ভৰাই খাবলৈ পাইছিলোঁ।

হজৰত মছীহ মাওউদ (আঃ)-এ কৈছে যে, পৱিত্ৰ আৰু নিষ্কলুষ লোকসকলে পেট ভৰাই খোৱাটো সেই ধৰণৰ পেট ভৰাই খোৱা নহয়, যিদৰে সেই লোকসকলে খায় যাৰ সন্দৰ্ভত আল্লাহ তা'লাই কৈছে যে,"তেওঁলোকে চতুষ্পদ জন্তুৰ দৰে খায় আৰু জুইয়েই হৈছে তেওঁলোকৰ ঠিকনা। আঁহজৰত (ছাঃ)-এ কোনো সময়ত পেট ভৰাই আহাৰ গ্ৰহণ কৰাটোৱে সম্পূৰ্ণ সুকীয়া এক নূৰ (জ্যোতি) আৰু আধ্যাত্মিক বৈশিষ্ট্য বহন কৰে; আৰু যদি সেই তৃপ্তিক এনে লোকসকলৰ সৈতে সম্পৰ্কিত কৰা হয় যাৰ মূল উদ্দেশ্য হৈছে কেৱল স্বাদ আস্বাদন কৰা (অৰ্থাৎ কেৱল সোৱাদ লাভ কৰা আৰু ইয়াৰ পৰা ফায়দা উঠোৱা) আৰু যাৰ দৃষ্টি কেৱল ইন্দ্ৰিয় লালসা পূৰণতেই সীমাবদ্ধ থাকে, তেন্তে সেই তৃপ্তিক আমি কেতিয়াও প্ৰকৃত তৃপ্তি বুলি ক'ব নোৱাৰোঁ। তৃপ্তিৰ সংজ্ঞাত পৱিত্ৰ আৰু পুণ্যাত্মাসকলৰ পৰিভাষা আৰু অপৱিত্ৰ তথা উদৰ-সৰ্বস্ব লোকসকলৰ পৰিভাষা সম্পূৰ্ণ বেলেগ বেলেগ।পৱিত্ৰ লোকসকলে সেই পৰিমাণৰ খাদ্যকেই 'তৃপ্তি' বুলি অভিহিত কৰে, যাৰ দ্বাৰা সাধাৰণভাৱে ভোক নিবাৰণ হয় আৰু দৈনন্দিন কাম-কাজ কৰিবলৈ শৰীৰত শক্তি লাভ কৰা যায়। আচলতে, এজন মোমিনৰ তৃপ্তি এইটোৱেই যে তেওঁ সিমানখিনিহে খাদ্য গ্ৰহণ কৰে, যিয়ে তেওঁৰ মেৰুদণ্ড পোন কৰি ৰাখে আৰু আৱশ্যকীয় কৰ্তব্যসমূহ সুচাৰুৰূপে পালন কৰিব পাৰে। এতেকে, যিজনা ছৈয়্যিদুল মুৰছলীন (ৰাছুলসকলৰ চৰ্দাৰ), তেখেতৰ তৃপ্তিক সাধাৰণ মানুহৰ তৃপ্তিৰ সৈতে তুলনা কৰাটো হৈছে একেবাৰেই এক অমূলক তুলনা।একেদৰেই বহু লোকে আঁহজৰত (ছাঃ)-ৰ মহান মৰ্যাদাক উপলব্ধি কৰিব পৰা নাই আৰু শব্দৰ ব্যৱহাৰিক প্ৰসংগটোক আওকাণ কৰি নিজকে ভুল ধাৰণাৰ মাজলৈ ঠেলি দিছে। আঁহজৰত (ছাঃ)-এ কোনোবা সময়ত "মই তৃপ্ত হৈছোঁ" বুলি কোৱাৰ

অর্থ কেতিয়াও সেইসকল লোকৰ কথাৰ সৈতে একে নহয়, যিসকলে কেৱল খোৱাটোকেই নিজৰ জীৱনৰ মূল উদ্দেশ্য বুলি গণ্য কৰি লৈছে। মুঠতে, পৱিত্র লোকসকলৰ কর্ম আৰু বাক্যক তেওঁলোকৰ সুউচ্চ মর্যাদা অনুসৰি বুজা উচিত আৰু তেওঁলোকৰ বিষয়সমূহক আনৰ সৈতে তুলনা কৰাটো কেতিয়াও শুদ্ধ নহয়। প্রকৃতপক্ষে তেওঁলোক এই জগতৰ উর্ধ্বত অৱস্থান কৰে, যদিওবা বাহ্যিকভাৱে তেওঁলোক এই জগতৰ মাজতেই বিদ্যমান থাকে।

হজৰত আয়েশা (ৰাঃ)-এ বর্ণনা কৰে যে, যেতিয়াই মই দিনটোত দুবাৰকৈ পেট ভৰাই আহাৰ গ্রহণ কৰোঁ, তেতিয়াই মোৰ কান্দোন আহে। তেখেতক সোধা হ'ল যে, কিয় কান্দোন আহে? তেতিয়া তেখেতে কৈছিল যে, মোৰ ৰাছুলুল্লাহ (ছাঃ)-ৰ সেই অৱস্থাটো মনত পৰি যায়, যি অৱস্থাত তেখেতে এই পৃথিৱীৰ পৰা বিদায় লৈছিল। আল্লাহৰ শপত! ৰাছুলুল্লাহ (ছাঃ)-এ কেতিয়াও এদিনত দুবাৰকৈ ৰুটী আৰু মাংস পেট ভৰাই খোৱা নাছিল।

হজৰত আব্দুল্লাহ বিন উবাইদ (ৰাঃ)-এ বর্ণনা কৰে যে, ৰাছুলুল্লাহ (ছাঃ)-ৰ খিদমতত খাদ্য আগবঢ়োৱা হৈছিল। হজৰত আয়েশা (ৰাঃ)-এ নিবেদন কৰিলে যে, "হে আল্লাহৰ নবী (ছাঃ)! আপুনি আঁউজি লৈ খাওক, এইটো আপোনাৰ বাবে অধিক আৰামদায়ক হ'ব।" তেখেত (ছাঃ)-এ নিজৰ কপাল মাটিৰ ফালে এনেদৰে তল কৰিলে যে সেয়া প্রায় মাটি স্পর্শ কৰাৰ দৰে হৈছিল। তেখেত (ছাঃ)-এ কৈছিল, **"মই তেনেদৰেই খাম যিদৰে এজন সাধাৰণ বান্দাই খায় আৰু তেনেদৰেই বহিম যিদৰে এজন সাধাৰণ বান্দা বহে; কিয়নো মই দেখোন কেৱল এজন বান্দাহে।"**

হজৰত মছীহ মাওউদ (আঃ)-এ কৈছে যে, **আঁহজৰত (ছাঃ)-ৰ পৱিত্র জীৱন অধ্যয়ন কৰা,যাতে তোমালোকে জানিব পাৰা যে তেখেত কিমান উত্তম চৰিত্রৰ অধিকাৰী আছিল। যদিওবা তেখেত অত্যন্ত প্রভাৱশালী আছিল, তথাপিও যদি কোনো দুর্বল বৃদ্ধা মহিলায়ো তেখেতক থিয় কৰাই ৰাখিছিল, তেন্তে তেখেতে সেই সময়লৈকে থিয় হৈ ৰৈছিল, যেতিয়ালৈকে সেই মহিলাগৰাকীয়ে অনুমতি প্রদান নকৰিছিল।**

খুতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)-এ কৈছে যে, আঁহজৰত (ছাঃ)-ৰ মর্যাদা অত্যন্ত সুউচ্চ আৰু তেখেতৰ প্রতিটো কর্মতেই এক আদর্শ নিহিত হৈ আছে।

اَللّٰهُمَّ صَلِّ عَلٰى مُحَمَّدٍ وَّعَلٰى اٰلِ مُحَمَّدٍ وَّبَارِكْ وَسَلِّمْ اِنَّكَ حَمِيْدٌ مَّجِيْدٌ۔

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

Summary of Friday Sermon | 23 October, 2026 | Assamese
Nazarat Nashr-o-Ishaa't Qadian